জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ১৪০/২০২২

# গুণোৎসৱ উপলক্ষে ছিপাঝাৰৰ দুখন বিদ্যালয় পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## ভাৰতবৰ্ষৰ বৌদ্ধিক সমাজক নেতৃত্ব দিব পৰাকৈ ৰাজ্যৰ শিক্ষা ব্যৱস্থাটো গঢ়ি তোলাৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ১১ মে' ঃ** গুণোৎসৱ-২০২২ৰ প্ৰথম পৰ্যায়ৰ সৈতে সংগতি ৰাখি আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই দৰং জিলাৰ ছিপাঝাৰৰ ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয় আৰু বি জে বালিকা নিম্ন বুনিয়াদী বিদ্যালয় পৰিদৰ্শন কৰি ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে বিদ্যালয় দুখনৰ শৈক্ষিক ব্যৱস্থা আৰু আন্তঃগাঁথনিৰো বুজ লয়। উল্লেখ্য যে আজিৰে পৰা আৰম্ভ হোৱা এই গুণোৎসৱ তিনিটা পৰ্যায়ত ৪ জুন পৰ্যন্ত চলিব।

পৰিদৰ্শন কালত ঘোঁৰাবান্ধা নিম্ন বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত কাৰ্যসূচীত অংশ লৈ মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কয় যে গুণোৎসৱে ৰাজ্যৰ শিক্ষানুষ্ঠানসমূহৰ বৰ্তমানৰ পৰিস্থিতিৰ লগতে বিদ্যালয়সমূহে সন্মুখীন হৈ অহা বিভিন্ন সমস্যাৰাজিৰ বিষয়ে বুজাত তথা সেইসমূহৰ নিৰাময়ৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ পৰিকল্পনাত যথেষ্ট সহায় কৰে। এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কোনো কাৰণতে গুণোৎসৱক যতি পৰিবলৈ দিব নালাগিব আৰু ইয়াৰ জৰিয়তে ৰাজ্যৰ ৰাজহুৱা শিক্ষা ব্যৱস্থাটোক জাগ্ৰত কৰি তুলিব লাগিব। ৰাজ্য চৰকাৰে নিষ্ঠাৰে চৰকাৰী শিক্ষানুষ্ঠানসমূহৰ সমস্যা সমাধানৰ দিশত কাম কৰি আহিছে বুলি মন্তব্য কৰি অসম চৰকাৰৰ শিক্ষা বিভাগক প্ৰতি বছৰে যাতে নিয়মীয়াকৈ গুণোৎসৱ অনুষ্ঠিত হয় সেয়া নিশ্চিত কৰিবলৈ কয়।

ক'ভিড মহামাৰীৰ ফলস্বৰূপে শিক্ষা ব্যৱস্থা যথেষ্ট পৰিমাণে ক্ষতিগ্ৰস্ত হোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যৰ শিক্ষা ক্ষেত্ৰখনলৈ পূৰ্বৰ অৱস্থা ঘূৰাই আনিবলৈ অসম চৰকাৰে নিৰবচ্ছিন্নভাৱে পদক্ষেপ লৈ আহিছে। ৰাজ্য চৰকাৰে শিক্ষা খণ্ডত গ্ৰহণ কৰা পদক্ষেপসমূহৰ

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

সুফল ভাৰত চৰকাৰৰ শিক্ষা খণ্ডৰ মূল্যায়নত স্পষ্টকৈ ফুটি উঠিছে। মুখ্যমন্ত্ৰী শৰ্মাই লগতে ৰাজ্য চৰকাৰে শিক্ষা খণ্ডৰ প্ৰগতিৰ দিশত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক সক্ৰিয় সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়।

অসম চৰকাৰে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতৰ কথা চিন্তা কৰি অসমীয়া আৰু ইংৰাজী ভাষাৰ সংমিশ্ৰণেৰে এক 'হাইব্ৰীড' পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদানৰ বিষয়ে চিন্তা-চৰ্চা কৰিছে। এই কথা সদৰি কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে মাতৃভাষাৰ লগতে ইংৰাজী, হিন্দী আদি ভাষাৰ জ্ঞান ভালদৰে আয়ত্ব কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যতে কৰ্ম সংস্থাপনৰ সুযোগ ৰাজ্যৰ ভিতৰতে সীমাবদ্ধ নহৈ দেশৰ বিভিন্ন অঞ্চললৈ সম্প্ৰসাৰিত হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে 'ৰ'টেচনেল' ব্যৱস্থাৰে শিক্ষকসকলক একেখন জিলাৰ ভিতৰতে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে সাল-সলনি কৰাৰ কথা ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰিছে যাতে অতিশয় ভিতৰুৱা আৰু দুৰ্গম অঞ্চলত দীঘলীয়া সময় ধৰি শিক্ষাদান কৰি থকা শিক্ষকসকলেও অন্য ঠাইত শিক্ষাদান কৰাৰ সুযোগ-সুবিধা লাভ কৰে আৰু ইয়াৰ জৰিয়তে তেওঁলোকৰ মনোবল বৃদ্ধি পায়। অৱশ্যে ইয়াৰ বাবে শিক্ষক সমাজেও সহযোগিতাৰে আগবাঢ়ি আহিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আন্দোলন শব্দটোৰ বিৰোধিতাৰে ৰাজ্যৰ শিক্ষা ব্যৱস্থা আৰম্ভ হ'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে টেট উত্তীৰ্ণ শিক্ষকসকলক উদ্দেশ্য কৰি কয় যে তেওঁলোকৰ কথা শুনিবলৈ তেওঁ সদায় আগ্ৰহী। শিক্ষকসকলক আন্দোলনৰ পথ নল'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে আমি এনে এখন অসম গঢ় দিব লাগিব যিয়ে ভাৰতবৰ্ষৰ বৌদ্ধিক সমাজক নেতৃত্ব দিব পাৰে।

পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন প্ৰশ্ন সুধি বিষয়বস্তু সম্পৰ্কে তেওঁলোকৰ জ্ঞানৰো সম্যক বুজ লয়।

মুখ্যমন্ত্ৰীৰ পৰিদৰ্শন কালত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, ছিপাঝাৰ সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, সমগ্ৰ শিক্ষা অসমৰ অভিযান সঞ্চালক ৰৌচনী অপৰাঞ্জী কোৰাটীও উপস্থিত থাকে।

**বীঃগঃ**

**১১/০৫/২০২২**